- নিৰ্দ্ধাৰিত একক যেনে গ্ৰাম আৰু কিলোগ্ৰাম ব্যৱহাৰ কৰি সাধাৰণ তুলাচনীৰে বস্তুৰ ওজন জুখিব পাৰিব।
- বিভিন্ন পাত্ৰৰ ধাৰণ ক্ষমতা অনিৰ্দ্ধাৰিত এককত তুলনা কৰিব পাৰিব।
- দৈনন্দিন জীৱনত গ্ৰাম আৰু কিলোগ্ৰামৰ লগত জড়িত হৈ থকা জোখবিলাকত যোগ আৰু বিয়োগ প্ৰয়োগ কৰিব পাৰিব।
- কেলেণ্ডাৰত বিশেষ দিন আৰু তাৰিখ চিনাক্ত কৰিব পাৰিব।
- ঘড়ী চাই শুদ্ধকৈ সময় ক'ব পাৰিব।
- সৰল আকৃতি আৰু সংখ্যাৰ চানেকি বিস্তৃত কৰিব পাৰিব।
- টেলিচিহ্ন বা দাগচিহ্নৰ জৰিয়তে তথ্যসমূহ চিত্ৰৰ দ্বাৰা উপস্থাপন কৰিব পাৰিব আৰু ব্যাখ্যা কৰিব পাৰিব।

## পৰিৱেশ অধ্যয়ন

### ছাত্ৰ-ছাত্ৰীয়ে—

- চৌপাশে থকা উদ্ভিদৰ পাতৰ-আকৃতি, বৰণ, গঠন শৈলী, গোন্ধ আদি সাধাৰণ বৈশিষ্ট্যসমূহ চিনাক্ত কৰাৰ উপৰি গা-গছ আৰু গছৰ বাকলি চিনাক্ত কৰিব পাৰিব।
- চৌপাশে থকা প্ৰাণী আৰু চৰাইৰ সাধাৰণ বৈশিষ্ট্যসমূহ (যেনে- চলন, ক'ত পোৱা যায়, ক'ত ৰখা হয়, খাদ্যাভাস, মাত আদি) চিনাক্ত কৰিব পাৰিব।
- পৰিয়ালৰ লগত আৰু পৰিয়ালৰ সদস্যসমূহৰ মাজত থকা সম্বন্ধ চিনাক্ত কৰিব পাৰিব।
- ঘৰ/বিদ্যালয়/চুবুৰীয়া অঞ্চলৰ বিভিন্ন বস্তু/সংকেত আদি (যেনে- বাচন-বৰ্তন, চৌকা, পৰিবহন আৰু যোগাযোগ ব্যৱস্থা, নামফলক চিনাক্ত কৰিব পাৰিব; বিভিন্ন ধৰণৰ ঘৰ, আশ্ৰয়স্থলী, বাছ আস্থান, পেট্ৰল পাম্প আদি) ঠাইৰ লগতে মানুহে কৰা কিছুমান কাম, ৰন্ধন প্ৰণালী ইত্যাদি শিকিব।
- বয়স অনুযায়ী প্ৰয়োজনীয় খাদ্যৰ উপাদান, প্ৰাণী আৰু চৰাইৰ আহাৰ, ঘৰ আৰু চৌপাশে মজুত থকা খাদ্য আৰু এইবোৰৰ ব্যৱহাৰৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব।
- পৰিয়ালৰ সদস্যসকলৰ ভূমিকা, চাৰিত্ৰিক বৈশিষ্ট্য, অভ্যাস, অনুশীলন, পৰিয়ালত সদস্যসকল একেলগে থকাৰ প্ৰয়োজনীয়তা সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব।
- পঞ্চ ইন্দ্ৰিয় ব্যৱহাৰ কৰি প্ৰাণী, চৰাই আৰু বস্তুৰ বাহ্যিকৰূপ/থকা ঠাই/চলন/পচন্দ-অপচন্দ আদিৰ সাদৃশ্য-বৈসাদৃশ্যৰ ওপৰত ভিত্তি কৰি এইবোৰৰ শ্ৰেণী বিভাজন কৰিব পাৰিব।
- অতীতৰ (পূৰ্বপুৰুষৰ দিনৰ) আৰু বৰ্তমানৰ বস্তু আৰু ক্ৰিয়া-কলাপৰ (যেনে— সাজপাৰ, বাচন-বৰ্তন, খেলা খেল, মানুহে কৰা কাম ইত্যাদিৰ পাৰ্থক্য উলিয়াব পাৰিব।
- হাতৰ বেগেত, চামুচ, মগ আদি ব্যৱহাৰ কৰি কিছুমান বস্তুৰ দৈৰ্ঘ, পৰিমাণ আদি স্থানীয়/অনিৰ্ধাৰিত এককত প্ৰকাশ কৰিব পাৰিব লগতে কোনো বস্তুৰ গুণাগুণ প্ৰতীক/চিহ্ন আদি চাই নিৰ্ধাৰণ কৰিব পাৰিব।
- কোনো বস্তু/পৰিঘটনা/ভ্ৰমণ কৰা ঠাই পৰ্যৱেক্ষণ কৰি বা অভিজ্ঞতাৰ ভিত্তিত বিভিন্ন ধৰণে নথি তৈয়াৰ কৰিব পাৰিব। (উদাহৰণস্বৰূপে চন্দ্ৰৰ আকৃতিৰ পৰিৱৰ্তন, ঋতু পৰিৱৰ্তন ইত্যাদি)।
- ঘৰ/শ্ৰেণীকোঠা/বিদ্যালয়ৰ দিশ, কোনো ঠাই/বস্তুৰ স্থিতি/অৱস্থান আদি সংকেত, চিহ্ন আদিৰ দ্বাৰা সাধাৰণ মানচিত্ৰত প্ৰকাশ কৰিব বা মৌখিকভাৱে ক'ব পাৰিব।
- চিত্ৰ, আৰ্হি, নমুনা, মডেল, কোনো বস্তুৰ ওপৰ, সন্মুখ আৰু পাৰ্শ্বীয় অংশৰ দৃশ্য সাধাৰণ মানচিত্ৰ আদিৰ আৰ্হি তৈয়াৰ কৰিব/অংকণ কৰিব পাৰিব লগতে শ্লোগান, কবিতা আদি লিখিব পাৰিব।
- স্থানীয় খেল/ভিতৰত খেলা খেল/খেলপথাৰত খেলা খেল/সমূহীয়া কাৰ্য আদিৰ নিয়ম পৰ্যৱেক্ষণ কৰিব পাৰিব।
- ভাল-বেয়া স্পৰ্শ, ঘৰখনৰ লিঙ্গ ভিত্তিক কাম, খেলা খেল, খাদ্য আদিৰ বৈষম্যতা লগতে পানী, খাদ্য আদিৰ অপব্যৱহাৰ, অপচয় ইত্যাদিৰ ওপৰত নিজৰ মতামত দিব পাৰিব।
- চৌপাশে থকা উদ্ভিদ, প্ৰাণী, জ্যেষ্ঠ ব্যক্তি, বিশেষভাৱে সক্ষম, বৈচিত্ৰতা থকা পৰিয়ালৰ (বাহ্যিক ৰূপ, সামৰ্থতা, পচন্দ-অপচন্দ, বাসস্থান, খাদ্য আয়ত্ত কৰাৰ উপায় আদি) প্ৰতি অনুভূতিশীল হ'বলৈ শিকিব।



# ছাত্ৰ-ছাত্ৰীৰ শিকনৰ ফলাফল সম্বন্ধে অভিভাৱক আৰু সমাজৰ ব্যক্তিসকলৰ বাবে প্ৰচাৰ পত্ৰিকা

## তৃতীয় শ্ৰেণী



সত্যমেব জয়তে
প্ৰাথমিক শিক্ষা বিভাগ, অসম চৰকাৰ

विद्यया ऽमृतमश्नुते
एन सी ई आर टी
NCERT

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৰে পঢ়ো, সকলোৰে আগবাঢ়ো

# অসমীয়া

## ছাত্ৰ-ছাত্ৰীয়ে—

- শিক্ষক বা অভিভাৱকে কোৱা কথা, সাধু-কথা, গল্প, কবিতা/পদ্য আদি মনোযোগেৰে শুনি বুজিব আৰু নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিব পাৰিব।
- কবিতা/পদ্য আদি উপযুক্ত লয়ৰে আবৃত্তি কৰিব আৰু কাহিনী আকৰ্ষণীয়কৈ ক'ব আৰু আবৃত্তি কৰিব পাৰিব।
- যিকোনো বিষয়ৰ ৰচনা শুনি ৰচনাৰ বিষয়বস্তু, ঘটনা, চৰিত্ৰ, শিৰোনাম আদিৰ বিষয়ে আলোচনা কৰিব, প্ৰশ্ন সুধিব, নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিব, সিদ্ধান্ত দিব, নিজা প্ৰকাশভংগীৰে কাহিনী, কবিতা আদি ব্যক্ত কৰিব পাৰিব।
- আশে-পাশে হৈ থকা বিভিন্ন ঘটনা আৰু বিভিন্ন পৰিস্থিতিত হোৱা অনুভৱৰ বিষয়ে ক'ব, আলোচনা কৰিব আৰু প্ৰশ্ন সুধিব পাৰিব।
- কাহিনী, কবিতা বা অন্য বিষয়ে ভালদৰে বুজি তাত নিজৰ কথা/ভাব সংযোগ কৰিব পাৰিব।
- বিভিন্ন ধৰণৰ ৰচনা/লিখনি (বাতৰি-কাকত, শিশু পত্ৰিকা আদি) পঢ়ি বুজি তাৰ আধাৰত প্ৰশ্ন সুধিব, নিজৰ সিদ্ধান্ত ব্যক্ত কৰিব, শিক্ষক আৰু নিজৰ সহপাঠীৰ সৈতে আলোচনা কৰিব আৰু প্ৰশ্নৰ উত্তৰ (মৌখিক/লিখিত ৰূপত) দিব পাৰিব।
- ভিন ভিন বিষয়ৰ ৰচনাত পোৱা নতুন নতুন শব্দৰ অৰ্থ বুজি তাৰ ব্যৱহাৰ নিশ্চিত কৰিব পাৰিব।
- বিভিন্ন ধৰণৰ কাহিনী, সাধু-কথা, গল্প, কবিতা/পদ্য, ৰচনা আদিৰ ভাষা (যেনে - শব্দৰ পুনৰাবৃত্তি, স্তৰ অনুসৰি ব্যাকৰণিক সূত্ৰ, যতি, বিৰাম চিহ্নৰ প্ৰয়োগ আদি) এককভাৱে চিনিব আৰু প্ৰয়োগ কৰিব পাৰিব।
- ভিন ভিন ধৰণৰ পঠন সামগ্ৰী (বাতৰি-কাকত, শিশু পত্ৰিকা, প্ৰচাৰফলক আদি) পঢ়ি বুজি তাৰ আধাৰত প্ৰশ্ন সুধিব, শিক্ষক আৰু সহপাঠীৰ সৈতে আলোচনা কৰিব আৰু নিজৰ সিদ্ধান্ত দিব পাৰিব।
- স্ব-ইচ্ছাৰে বা শিক্ষকৰ দ্বাৰা নিৰ্ধাৰিত বিষয়বস্তুৰ প্ৰতি সচেতন হৈ নিজে নিজে লিখিব (Conventional writing) পাৰিব।
- ভিন ভিন উদ্দ্যেশ্যৰে লিখা নিজৰ লিখনিত শব্দৰ বাচনি, বাক্য গঠন আৰু লিখনৰ উদ্দেশ্য (যেনে - বন্ধুলৈ চিঠি, সম্পাদকলৈ চিঠি, জাননী আদি) নিৰ্দ্ধাৰণ কৰি লিখিব পাৰিব।
- ভিন ভিন উদ্দ্যেশ্যৰে লিখা নিজৰ লিখনিত যতি, বিৰাম চিহ্নৰ সঠিক ব্যৱহাৰ কৰিব পাৰিব।
- বিভিন্ন ধৰণৰ পঠন সামগ্ৰী (বাতৰি-কাকত, শিশু পত্ৰিকা, প্ৰচাৰ ফলক আদি পঢ়ি বুজি সেই বিষয়ে নিজৰ প্ৰতিক্ৰিয়া লিখিব, প্ৰশ্নৰ উত্তৰ (লিখিত/ব্ৰেইল) দিব পাৰিব।
- দেখি, শুনি, পঢ়ি সাধু-কথা,গল্প, কবিতা/পদ্য আদিৰ বিষয়ে নিজা প্ৰকাশভংগীৰে আলোচনাত অংশগ্ৰহণ কৰিব, প্ৰশ্ন সুধিব, নিজৰ মতামত দিব পাৰিব।
- আনন্দদায়ক পৰিৱেশত শব্দখেল, অন্ত্যাক্ষৰী খেলৰ জৰিয়তে নতুন নতুন শব্দ আহৰণ কৰিব পাৰিব।
- পাঠত বা আন পঠন সামগ্ৰীত পোৱা নতুন নতুন শব্দৰ অৰ্থ নিশ্চিতকৰণৰ বাবে অভিধান ব্যৱহাৰ কৰিব পাৰিব।
- পঢ়াৰ সময়ত অৰ্থোদ্ধাৰৰ উপায়ৰ বাবে চিত্ৰৰে প্ৰকাশিত ছপা সামগ্ৰী আৰু বাক্যত থকা শব্দবোৰৰ আনুমানিক অৰ্থ ধাৰণ কৰিব পাৰিব।
- যুক্তাক্ষৰ ভাঙিব আৰু গঠন কৰিব, যুক্তাক্ষৰযুক্ত শব্দ পঢ়িব আৰু লিখিব পাৰিব।
- বৈজ্ঞানিক দৃষ্টিভংগী, স্থানীয় সম্পদ সংৰক্ষণ, পৰিৱেশ সংৰক্ষণ, লিংগ বৈষম্য দূৰীকৰণ আদি বিষয়ৰ পাঠ পঢ়ি বুজি সেইবোৰ বা স্তৰ জীৱনত প্ৰয়োগ কৰিব পাৰিব।
- বানানৰ শুদ্ধতা আহৰণ কৰি শ্ৰুতলিপিৰ জৰিয়তে লিখনৰ দ্ৰুততা বৃদ্ধি কৰিব পাৰিব।
- প্ৰয়োজন অনুসৰি চিঠি-পত্ৰ আৱেদন আদি লিখনৰ জৰিয়তে নিজৰ বক্তব্য প্ৰকাশ কৰিব পাৰিব।
- জাতীয় সাহিত্য-সংস্কৃতি, ঐতিহ্য-পৰম্পৰা সম্পৰ্কীয় লিখনি পঢ়িব, শুনিব আৰু সেইবোৰ ভালদৰে বুজি নিজৰ অনুভৱ প্ৰকাশ কৰিব পাৰিব।

# ENGLISH

## The learner –

- recites poems individually/ in groups with correct pronunciation and intonation
- performs in events such as role play/skit in English with appropriate expressions
- reads aloud with appropriate pronunciation and pause
- reads small texts in English with comprehension i.e., identifies main idea, details and sequence and draws conclusions in English
- expresses orally her/his opinion/understanding about the story and characters in the story, in English/home language
- responds appropriately to oral messages/telephonic communication
- writes/types dictation of words/phrases/sentences
- uses meaningful short sentences in English, orally and in writing, uses a variety of nouns, pronouns, adjectives and prepositions in context as compared to previous class
- distinguishes between simple past and simple present tenses
- identifies opposites like 'day/night', 'close/open', and such others
- uses punctuation such as question mark, full stop and capital letters appropriately
- reads printed scripts on the classroom walls: poems, posters, charts, etc.
- writes 5/6 sentences in English on personal experiences/events using verbal or visual clues
- uses vocabulary related to subjects like Maths, EVS, relevant to class-III

# গণিত

## ছাত্ৰ-ছাত্ৰীয়ে—

- তিনিটা অংকবিশিষ্ট সংখ্যাৰে কাৰ্য কৰিব পাৰিব।
  - — স্থানীয় মান ব্যৱহাৰ কৰি ৯৯৯ লৈকে সংখ্যা পঢ়িব আৰু লিখিব পাৰিব।
  - — ৯৯৯ লৈকে সংখ্যাবোৰ স্থানীয় মানৰ ভিত্তিত তুলনা কৰিব পাৰিব।
  - — দৈনন্দিন জীৱনৰ লগত সামঞ্জস্য ৰাখি তিনিটা অংকবিশিষ্ট সংখ্যাৰ যোগ-বিয়োগ (গোটত ভাগ কৰি বা ভাগ নকৰাকৈ) সম্বন্ধীয় সৰল সমস্যা সমাধান কৰিব পাৰিব।
  - — ২, ৩, ৪, ৫ আৰু ১০ ৰ পূৰণ নেওতাকেইখন সাজিব পাৰিব আৰু দৈনন্দিন পৰিৱেশত ইয়াৰ ব্যৱহাৰ কৰিব পাৰিব।
  - — বিভিন্ন পৰিস্থিতিত সঠিকভাৱে সংখ্যা প্ৰক্ৰিয়াৰ বিশ্লেষণ আৰু প্ৰয়োগ কৰিব পাৰিব।
  - — সমান অংশ বা সমান ভাগ কৰাৰ জৰিয়তে হৰণৰ অৰ্থ বৰ্ণনা কৰিব পাৰিব। বাৰে বাৰে কৰা বিয়োগৰ সহায়ত হৰণ ফল উলিয়াব পাৰিব। উদাহৰণ স্বৰূপে, ১২÷৩ হৰণ ফলটো বৰ্ণনা কৰিবৰ বাবে ১২ হ'বলৈ ৩ ৰ কেইটা ভাগ জানিব লাগিব। অৰ্থাৎ ৪ টা ভাগ। ১২÷৩=৪। ইয়াক ১২ ৰ পৰা ৩ বাৰে বাৰে বিয়োগ কৰি পোৱা যায়।
- কম মূল্যৰ টকা পইচা (গোটত ভাগ কৰি বা ভাগ নকৰাকৈ)ৰ যোগ আৰু বিয়োগ কৰিব পাৰিব।
- মূল্য-তালিকা আৰু সৰল বিল প্ৰস্তুত কৰিব পাৰিব।
- দ্বিমাত্ৰিক আকৃতিৰ বিষয়ে জানিব পাৰিব।
  - — কাগজ ভাঁজ কৰি, ফুট জালীৰ ওপৰত কাগজ কাটি আৰু সৰল ৰেখা ব্যৱহাৰ কৰি দ্বিমাত্ৰিক বস্তু চিনাক্ত আৰু প্ৰস্তুত কৰিব পাৰিব।
  - — বাহু, চুক আৰু কৰ্ণৰ জৰিয়তে দ্বিমাত্ৰিক (2-D) আকৃতি বিলাক বৰ্ণনা কৰিব পাৰিব। উদাহৰণ স্বৰূপে, কিতাপ এখনৰ বেটুপাতৰ ৪ টা বাহু, ৪ টা চুক আৰু দুডাল কৰ্ণ আছে তাক জানিব পাৰিব।
  - — প্ৰদত্ত আকৃতিৰ টালি (tile) ব্যৱহাৰ কৰি খালি নথকাকৈ এটা অংশ পূৰাব পাৰিব।
- দৈৰ্ঘ্য আৰু দূৰত্বৰ নিৰ্দ্ধাৰিত একক যেনে— চেণ্টিমিটাৰ, মিটাৰ ইত্যাদি ব্যৱহাৰ কৰি দৈৰ্ঘ্য আৰু দূৰত্ব অনুমান কৰিব পাৰিব আৰু সঠিকভাৱে জুখিব পাৰিব আৰু এককবোৰৰ মাজত থকা সম্বন্ধ জানিব পাৰিব।

